## কীৰ্তিনাথ হাজৰিকাৰ সান্নিধ্যত

# অসম আন্দোলনৰ সময়ত

## বিৰাজ কুমাৰ শৰ্মা, প্ৰাক্তন মন্ত্ৰী

বিগত অসম আন্দোলনৰ সময়ৰ পৰা কীৰ্তিনাথ হাজৰিকাদেৱৰ লগত মোৰ ঘনিষ্ঠতা গাঢ় হয়। তেখেতক আন্দোলনটোৰ পথ-প্ৰদৰ্শক বুলিও ক'ব পাৰি। আমি আন্দোলনটোৰ পৰিচালনাৰ দায়িত্ব সম্পূৰ্ণ লৈছিলোঁ যদিও ৰাইজৰ লগত প্ৰত্যক্ষভাৱে দৈনিক অসম কাকতৰ জৰিয়তেহে কাৰ্যসূচীসমূহ সাফল্যমণ্ডিত হৈছিল বুলি ক'ব লাগিব। প্ৰথমতে মই অসম জাতীয়তাবাদী দলত থাকি আন্দোলনটোত লাগি আছিলোঁ যদিও পিছলৈ মই সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ এজন অন্যতম আহ্বায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰোঁ চুক্তি স্বাক্ষৰ কৰালৈকে। হাজৰিকাদেৱৰ লগত মই বহুদিন তেখেতৰ দৈনিক অসমৰ সম্পাদকৰ কোঠালীত, কেতিয়াবা চানমাৰিৰ বাসভৱনত আন্দোলন সম্পৰ্কে বহু কথাই আলোচনা কৰিছিলোঁ। আন্দোলনৰ বিবৃতিসমূহ ময়েই দিবলৈ গৈ আন্দোলনৰ গতিধাৰা সম্পৰ্কে কিছু কথা আলোচনা কৰিবলৈ সুযোগ পাইছিলোঁ। দৈনিক অসমে সম্পূৰ্ণ সহযোগ নকৰাহেঁতেন আমি আন্দোলনটো সৰ্বসাধাৰণৰ ওচৰলৈ ব্যাপকভাৱে নিবলৈ সক্ষম নহ'লোহেঁতেন। আমাৰ বিদেশী সমস্যা, নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, জাতি-জনজাতিৰ সমস্যা আদিৰ ওপৰত হাজৰিকাদেৱৰ অগাধ অধ্যয়ন তথা জ্ঞান দেখি মই তবধ মানিছিলোঁ। ইমান ব্যস্ততা আৰু অধ্যয়নৰ মাজতো মই মাজে-সময়ে লগ ধৰিবলৈ গ'লে কোনো বেজাৰ পোৱা নাছিল। আন্দোলনটো চেকা নপৰাকৈ ৰাখি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে বাৰে বাৰে মোক সকীয়াইছিল। আমিও তেখেতৰ কথা মতে কাম কৰিছিলোঁ, সেয়েহে সঁচাকৈয়ে এদিন এই আন্দোলনে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। চুক্তিৰ পিছত গোলাঘাটত (তেখেতৰ জন্মস্থানতেই) এ. জি. পি. দল গঠন হ'ল, পিছলৈ চৰকাৰো গঠন কৰিলোঁ। চৰকাৰ গঠন কৰাৰ পিছত হাজৰিকাদেৱে কোনোদিনে একো বিচাৰি কোনো বিধায়ক-মন্ত্ৰীৰ ওচৰলৈ অহা নাছিল। তেখেত মৃত্যুৰ দিনলৈ সাংবাদিক হৈয়েই থাকিল। লিখিয়েই জীয়াই থাকিল। পযেকীয়া প্ৰান্তিক বাৰ্তালোচনীখনিত ৰাজনৈতিক শিতানত তেখেত নিয়মীয়া লেখক আছিল। সেয়েহে মৃত্যুৰ পিছতো আজি প্ৰান্তিকত তেখেতৰ লেখনি আমি পঢ়িবলৈ পাইছোঁ। অসমৰ প্ৰধান সমস্যাসমূহ কেতিয়া, কেনেদৰে সমাধান হ'ব, সেই কথা হয়তো কোনেও ক'ব নোৱাৰে। ৰাইজ আৰু চৰকাৰ মিলি সমস্যাসমূহ সমাধান কৰিলে হাজৰিকাদেৱৰ আত্মাই চিৰশান্তি লাভ কৰিব। নতুন প্ৰজন্মই তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হওক তাকেই মই তেখেতৰ পুণ্যতিথিত কামনা কৰিলোঁ। ওঁম শান্তি ওঁম শান্তি। ◆